# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-09-2024
**Time :** 18-00 Hrs

***Assamese Evening Bulletin***

**::::    ::::    ::::    ::::**

অসম প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তিৰ প্ৰথম দিনৰ পৰীক্ষা শান্তিপূৰ্ণভাৱে আৰু নিয়াৰিকৈ সম্পন্ন হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সকলো বিষয়া-কৰ্মচাৰীৰ লগতে সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে চৰকাৰী চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছতা বৰ্তাই ৰখাৰ প্ৰতি বদ্ধপৰিকৰ। ভৱিষ্যতেও এনে ধৰণে নিকা ব্যৱস্থাৰে পৰীক্ষা অনুষ্ঠিত কৰি যুৱক-যুৱতীসকলক নিয়োগৰ সুবিধা দিয়া হ'ব বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ ২ হেজাৰ ৩০৫ টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত এই পৰীক্ষাত এঘাৰ লাখ ২৩ হাজাৰৰো অধিক পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰে। তদুপৰি এই পৰীক্ষাত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা লোৱা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে আজি পুৱা ১০ বজাৰ পৰা দিনৰ ডেৰ বজালৈ মোবাইল ইণ্টাৰনেট, মোবাইল ডাটা আৰু ৱাইফাই সেৱা ব্যাহত ৰাখে।

০০০০

অসমে বহনক্ষম উন্নয়নৰ লক্ষ্য ২০৩০ত উপনীত হোৱাৰ দিশত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাৰ্যকৰী ৰূপায়ণৰ জৰিয়তে অসমে দৰিদ্ৰতাৰ সৈতে মোকাবিলা কৰি এই লক্ষ্যৰ প্ৰথম স্তৰ সফলতাৰে অতিক্ৰম কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই স্তৰত চাহ বাগিছাৰ লোকসকলৰ বাবে দক্ষতা বিকাশ আৰু উদ্যমিতা বিকাশৰ বাবে সাহায্যমূলক ধনৰাশি আবণ্টন দিয়া হৈছিল। চাহ বাগিছাৰ মহিলাসকলক স্বাৱলম্বী হোৱাৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হৈছিল। ইপিনে, শ্বহীদ দয়াল দাস পানিকা স্বনিয়োজন আঁচনিৰ অধীনত চাহ জনগোষ্ঠীৰ যুৱকসকলৰ স্বনিয়োজনৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হৈছিল। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনতো এই লোকসকলক উপাৰ্জনৰ সুবিধা দিয়া হৈছিল। একেদৰে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু আয়ুষ্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত প্ৰতিটো হিতাধিকাৰী পৰিয়ালক নগদ ধনবিহীন চিকিৎসা সুবিধা প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সফলতা অৰ্জন কৰিছে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পশ্চিমবংগ, ওড়িশা আৰু ঝাৰখণ্ডৰ গংগা অৱবাহিকাত প্ৰবল বৃষ্টিপাতৰ লগতে বানপানী হোৱাৰ পূৰ্বাভাষ কৰিছে। ইয়াৰ লগতে বতৰ বিজ্ঞান বিভাগে চত্তিশগড় আৰু পূৱ মধ্য প্ৰদেশতো বৃষ্টিপাতৰ সম্ভাৱনা প্ৰকাশ কৰিছে। ইয়াৰ উপৰি নিম্নচাপৰ ফলত বিহাৰ আৰু অসমকে ধৰি উত্তৰ পূৱ ভাৰততো

প্ৰচণ্ড বৃষ্টিপাত হোৱাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। ৰাজ্যখনৰ প্ৰধান চহৰসমূহত আজি দিনটো বতৰ ডাৱৰীয়া হোৱাৰ লগতে ঠায়ে ঠায়ে মজলীয়া বৃষ্টিপাত হয়। গুৱাহাটী মহানগৰত আজিৰ দিনটোৰ তাপমাত্ৰা ৩৬ ডিগ্ৰী ছেলছিয়াছৰ পৰা ২৭ ডিগ্ৰী ছেলছিয়াছৰ ভিতৰত থাকে। একেদৰে শিলচৰ, গোৱালপাৰা, যোৰহাট আৰু উত্তৰ লখিমপুৰতো তাপমাত্ৰা গড়ে ৩৫ ডিগ্ৰী ছেলছিয়াছৰ পৰা ২৫ ডিগ্ৰী ছেলছিয়াছৰ ভিতৰত থাকে।

০০০০

আজি অভিযন্তা দিৱস। মহান অভিযন্তা ছাৰ এম বিশ্বেশ্বৰৈয়াৰ জয়ন্তীৰ লগত সংগতি ৰাখি পালন কৰা এই দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰযুক্তি খণ্ডৰ বিশেষজ্ঞসকলক শুভেচ্ছা জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে প্ৰগতি, উদ্ভাৱন আৰু জটিল প্ৰত্যাহ্বানৰ সমাধানৰ ক্ষেত্ৰত অভিযন্তাসকলৰ অৱদানৰ কথা স্বীকাৰ কৰে। ছাৰ এম বিশ্বেশ্বৰৈয়ালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শ্ৰীমোদীয়ে কয় যে, অভিযান্ত্ৰিক ক্ষেত্ৰত তেওঁ আগবঢ়াই থৈ যোৱা অৱদানে আজিও দেশৰ লাখ লাখ লোকক অনুপ্ৰাণিত কৰি আহিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও অভিযন্তা দিৱস উপলক্ষে প্ৰযুক্তিৰ সৈতে জড়িত সকলোকে অভিনন্দন জনাই কয় যে, বিকাশ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত অভিযন্তাসকল এখন দেশৰ মেৰুদণ্ডস্বৰূপ। প্ৰগতিৰ দিশে অগ্ৰসৰ ভৱিষ্যত গঢ়াৰ দিশত অভিযন্তাসকলৰ অৱদানৰ বিষযেও তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও ছাৰ এম বিশ্বেশ্বৰৈয়াৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমযোগে ৰাষ্ট্ৰ নিৰ্মাণৰ কাৰিকৰ অভিযন্তাসকলৰ অৱদানক স্বীকৃতি প্ৰদান কৰে।

০০০০

পবিত্ৰ ভাদ মাহৰ আজি শেষৰটো দেওবাৰে অসমৰ বিভিন্ন ঠাইৰ সত্ৰ আৰু ৰাজহুৱা নামঘৰসমূহত দৰ্শনাৰ্থীৰ ভীৰ পৰিলক্ষিত হয়। ভকত বৈষ্ণৱ আৰু গোপীনীসকলৰ হৰিনামৰ ধ্বনিৰে সত্ৰ-নামঘৰসমূহ মুখৰিত হৈ পৰে। মাহৰ শেষৰৰটো দেওবাৰে যোৰহাট জিলাৰ ঐতিহাসিক ঢেকিয়াখোৱা বৰনামঘৰতো লক্ষাধিক দৰ্শনাৰ্থীয়ে প্ৰসংগ আৰু নামত অংশগ্ৰহণ কৰে। একেদৰে গোলাঘাটৰ আঠখেলিয়া বৰনামঘৰ, যোৰহাটৰ মইনাপৰীয়া নামঘৰ, নগাওঁৰ বৰদোৱা সত্ৰ, বৰপেটাৰ কীৰ্তনঘৰ, কোচবিহাৰৰ মধুপুৰ সত্ৰকে ধৰি ঐতিহাসিক ধৰ্মস্থানসমূহত ভক্তসকলে হৰিনামত নিজকে বিলীন কৰি দিয়া দেখিবলৈ পোৱা যায়। মহানগৰীতো বিভিন্ন নামঘৰ আৰু হৰিমন্দিৰসমূহতো ভক্তপ্ৰাণ ৰাইজে বন্তি প্ৰজলন কৰাৰ লগতে গুৰু দুজনাই প্ৰদৰ্শন কৰি যোৱা পৰম্পৰা অনুসৰণ কৰি নামকীৰ্তনত অংশগ্ৰহণ কৰে।

০০০০

গোলাঘাট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় প্ৰাঙ্গনত বিগত বছৰসমূহৰ দৰে চলিত বছৰতো ভাদ মহীয়া নাম আৰু ভাওনা প্ৰদৰ্শন কাৰ্যসূচী হাতত লোৱা হয়। জিলা আয়ুক্তই উদ্বোধন কৰা কাৰ্যসূচীৰ অংশ হিচাপে মৎস্য অৱতাৰ আৰু চাৰিবেদ উদ্ধাৰ শীৰ্ষক ভাওনাখন প্ৰদৰ্শন কৰা হয়। সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীয়ে অসমীয়া পৰম্পৰা নৱপ্ৰজন্মৰ মাজলৈ আগবঢ়াই নিয়াত সহায় কৰিব বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰে।

০০০০

সমাপ্ত